# NSD NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 03-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ড্ৰাগছৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনাইছে।

২। ভাৰত সম্প্ৰতি কেৱল প্ৰযুক্তিৰ গ্ৰাহক হৈ থকা নাই বৰং, প্ৰযুক্তিগত ৰূপান্তৰৰ হোতা হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে আফগানিস্তানত হোৱা ভূমিকম্পৰ ফলত ভালেমান লোকে প্ৰাণ হেৰুওৱা ঘটনাত দুখ প্ৰকাশ কৰিছে। *আৰু*

৪। জয়পুৰৰ চিকৰ ৰোডত আজি পুৱা এখন দ্ৰুতবেগী দাম্পাৰে নিয়ন্ত্ৰণ হেৰুৱাই কেইবাখনো গাড়ী আৰু দুচকীয়া বাহন মহতিয়াই নিয়াৰ ফলত ১৪ জন লোক নিহত হৈছে।

০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ড্ৰাগছৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজ দিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনাইছে। কেৰালাৰ কোল্লামত আজি ফাতিমা মাতা ৰাষ্ট্ৰীয় মহাবিদ্যালয়ৰ হীৰক জয়ন্তী কাৰ্যসূচী উদ্বোধন কৰি তেওঁ এই বিষয়ে কয়। উপৰাষ্ট্ৰপতিগৰাকীয়ে জীৱনৰ সকলো স্তৰতে অনুশাসন মানি চলাৰ লগতে সকলো বিষয়তে আত্মসংযম বৰ্তাই ৰাখিবলৈও আহ্বান জনায়। তেওঁ আনন্দ উল্লাসৰ বাবে স্বাধীনতাৰ অপব্যৱহাৰ নকৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক সোঁৱৰাই দিয়ে। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ বাবে প্ৰধানমন্ত্ৰীৰ আহ্বানৰ বিষয়ে উল্লেখ কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ফাতিমা মাতা ৰাষ্ট্ৰীয় মহাবিদ্যালয়খনে ২০৫০ বৰ্ষত শতবৰ্ষ উদযাপন কৰিব। শ্ৰীৰাধাকৃষ্ণণে দেশৰ শৈক্ষিক প্ৰেক্ষাপট গঢ় দিয়াৰ ক্ষেত্ৰত কেৰালাৰ উল্লেখনীয় ভূমিকাৰ শলাগ লয়।

আজিৰ এই অনুষ্ঠানত কেৰালাৰ ৰাজ্যপাল ৰাজেন্দ্ৰ প্ৰসাদ আৰ্লেকাৰ, কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী সুৰেশ গোপী আৰু ৰাজ্যখনৰ বিত্তমন্ত্ৰী কে এন বেণুগোপালেও ভাষণ দিয়ে। ইয়াৰ পূৰ্বে কোল্লাম হেলিপেডত অৱতৰণ কৰাৰ পাছত বিত্তমন্ত্ৰী কে এন বেণুগোপালে উপৰাষ্ট্ৰপতিক আদৰণি জনায়। উপৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া শ্ৰীৰাধাকৃষ্ণণৰ প্ৰথম কেৰালা ভ্ৰমণ।

০০০০

ভাৰত সম্প্ৰতি কেৱল প্ৰযুক্তিৰ গ্ৰাহক হৈ থকা নাই বৰং, প্ৰযুক্তিগত ৰূপান্তৰৰ হোতা হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তি উদ্ভাৱন সন্মিলন ESTIC-2025 মুকলি কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ

কয়, যে প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ বিকাশ ক্ৰমাৎ উৰ্ধগামী হৈছে। কেন্দ্ৰীয় চৰকাৰে দেশত উদ্ভাৱনৰ ক্ষেত্ৰত অত্যাধুনিক ব্যৱস্থা বিকশাই তোলাৰ বাবে গৱেষণা ক্ষেত্ৰৰ সুচলতাত গুৰুত্ব আৰোপ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। তেওঁ কয়, যে ভাৰতত সম্প্ৰতি বিশ্বৰ ভিতৰতে সবাতোকৈ সফল ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি গঢ়ি তোলা হৈছে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে দেশৰ গৱেষণা আৰু উন্নয়নৰ বাতাবৰণ অধিক বিকশিত কৰি তোলাৰ উদ্দেশ্যে ১ লাখ কোটি টকাৰ গৱেষণা, উন্নয়ন আৰু উদ্ভাৱন আঁচনি পুঁজি মুকলি কৰে। এই সন্মিলনৰ অহা ৫ নৱেম্বৰত সামৰণি পৰিব। ESTIC-2025-ৰ জৰিয়তে শৈক্ষিক, গৱেষণা প্ৰতিষ্ঠান, উদ্যোগ আৰু চৰকাৰৰ তৰফৰ পৰা ৩ হাজাৰতকৈও অধিক প্ৰতিনিধিয়ে পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাব। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আলোচনাচক্ৰ, প্ৰযুক্তি প্ৰদৰ্শন, প্ৰকল্প ব্যাখ্যা আদি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এনে পদক্ষেপৰ জৰিয়তে দেশৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ বাতাবৰণ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে গৱেষক, উদ্যোগ খণ্ড তথা যুৱ উদ্ভাৱকসকলৰ মাজত পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ বাবে এখন মঞ্চ সৃষ্টি কৰাৰ প্ৰয়াস চলোৱা হৈছে।

০০০০

কেন্দ্ৰীয় ৰে'ল, ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ সৈতে গান্ধীনগৰত ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ চেমিকনডাক্টৰ আৰু ফেব্ৰিকেছন প্ৰকল্পৰ অগ্ৰগতি মূল্যায়নৰ উদ্দেশ্যে এখন উচ্চস্তৰীয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰী হৰ্ষ চাংভি, ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে টাটা মাইক্ৰন আৰু চি জি চেমিকন আদিৰ লেখিয়া কোম্পানীসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। বৈঠকত ধোলেৰা আৰু চানন্দত ৰূপায়ণ হৈ থকা বৃহৎ প্ৰকল্পসমূহৰ বাবে শক্তি, জল আদিকে ধৰি অত্যাৱশ্যকীয় সম্পদসমূহৰ উপলভ্যতা সন্দৰ্ভত আলোকপাত কৰা হয়।

০০০০

হিংসাত্মক প্ৰতিবাদ আৰু বিৰোধীৰ প্ৰত্যাখ্যানৰ মাজতে তানজানিয়াৰ ৰাষ্ট্ৰপতি চামিয়া চুলুহু হাচানে কটকটীয়া নিৰাপত্তাৰ মাজত দ্বিতীয়টো কাৰ্যকালৰ বাবে শপত গ্ৰহণ কৰিছে। দেশখনত হোৱা হিংসাত্মক প্ৰতিবাদৰ বাবে আৰু বিৰোধী দলে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ পৰা আতৰি যোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন বাতিল হোৱাত তেওঁ দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে আফগানিস্তানত হোৱা ভূমিকম্পৰ ফলত ভালেমান লোকে প্ৰাণ হেৰুওৱা ঘটনাত দুখ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত জয়শংকৰে কয় যে তেওঁ আফগানিস্তানৰ বৈদেশিক মন্ত্ৰী মাওলাই আমিৰ খান মুট্টাকীৰ সৈতে আজি বিয়লি বাৰ্তালাপ কৰি গভীৰ সমবেদনা জনায়। তেওঁ লগতে জানিবলৈ দিয়ে যে ভূমিকম্পৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক ভাৰতৰ ফালৰ পৰা উদ্ধাৰ আৰু সাহায্য সামগ্ৰী প্ৰদান কৰা হৈছে। অতিৰিক্তভাৱে প্ৰেৰণ কৰা ঔষধপাতি দেশখনে অচিৰেই লাভ কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে তেওঁলোকে লগতে ভাৰত আৰু আফগানিস্তানৰ দ্বিপাক্ষিক সম্বন্ধৰ বিষয়টো আলোচনা কৰে। ড° জয়শংকৰে দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ উন্নত সম্পৰ্কৰ লগতে আঞ্চলিক পৰিস্থিতি সন্দৰ্ভত উভয় দেশে নিজৰ স্থিতি স্পষ্ট কৰাৰ বিষয়ত সন্তুষ্টি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে আফগানিস্তানৰ উত্তৰ অঞ্চলত যোৱা নিশা হোৱা এটা ভূমিকম্পৰ ফলত ২০ জন লোকৰ মৃত্যু হোৱাৰ উপৰি কমেও ৫০০ জন লোক আহত হয়। ভাৰতৰ ৰাষ্ট্ৰীয় ভূ-কম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে, এই

ভূমিকম্পৰ উৎস ভূগৰ্ভৰ পৰা ২৩ কিলোমিটাৰ গভীৰত। উজবেকিস্তান, তাজিকিস্তান আৰু পাকিস্তানতো ভূমিকম্পৰ মৃদু জোঁকাৰণি অনুভূত হয়।

০০০০

কেন্দ্ৰীয় চৰকাৰে পঞ্চদশ বিত্ত আয়োগৰ অধীনত ওড়িশাৰ গ্ৰাম্য স্থানীয় নিকায়সমূহলৈ ৪৪৪ কোটিৰো অধিক টকা মোকলাই দিছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি প্ৰকাশ কৰি কয় যে অনিৰ্ধাৰিত পুজিৰ দ্বিতীয়টো কিস্তিৰ ৩৪২ কোটিৰো অধিক টকা ২০ খন জিলা পঞ্চায়ত, ২৯৬ খণ্ড পঞ্চায়ত আৰু ছহেজাৰ গাওঁ পঞ্চায়তলৈ বিতৰণ কৰা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে সামাজিক মাধ্যমযোগে পাকিস্তানৰ একাউণ্টযোগে প্ৰচাৰিত কৰ্ণেল ছোফিয়া কুৰেশ্বি সন্দৰ্ভত ভিডিঅ' অগ্ৰাহ্য কৰিছে। ভিডিঅ'টোত ছোফিয়া কুৰেশ্বিয়ে বিহাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ত্ৰিশূল সামৰিক অনুশীলন চলোৱাটো ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি ভুৱাকৈ প্ৰচাৰ কৰা হৈছে। প্ৰেছ ইনফৰমেছন ব্যুৰোৰ সত্যাসত্য নিৰূপণ গোটে কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত ভিডিঅ'টো সম্পূৰ্ণৰূপে ভুৱা বুলি স্পষ্টিকৰণ দিছে। নাগৰিকসকলক বিপথে পৰিচালিত কৰা আৰু দেশৰ সেনা বাহিনীসমূহৰ বিৰুদ্ধে জনসাধাৰণৰ অসন্তুষ্টি বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে এই ভিডিঅ'টো প্ৰস্তুত কৰা হৈছে বুলি বি আই বিয়ে প্ৰকাশ কৰিছে। পি আই বিৰ গোটটোৱে এই বুলি অৱগত কৰিছে যে কৰ্ণেল কুৰেশ্বিয়ে এনে ধৰণৰ মন্তব্য কৰা নাই। তেওঁলোকে লগতে ৮৭৯৯৭ ১১২৫৯ নম্বৰত ফোন কৰি অথবা factcheck@pib.gov.in ত জনসাধাৰণক এনে ধৰণৰ ভুৱা তথ্যৰ অভিযোগ দিবলৈ অনুৰোধ জনাইছে।

০০০০

জয়পুৰৰ চিকৰ ৰোডত আজি পুৱা এখন দ্ৰুতবেগী দাম্পাৰে নিয়ন্ত্ৰণ হেৰুৱাই কেইবাখনো গাড়ী আৰু দুচকীয়া বাহন মহতিয়াই নিয়াৰ ফলত ১৪ জন লোক নিহত হৈছে। এই ঘটনাত আন ৫ জন লোক গুৰুতৰভাৱে আহত হৈছে আৰু তেওঁলোকক জয়পুৰৰ এছ এম এছ হাস্পতালত চিকিৎসা কৰি থকা হৈছে। এই ঘটনাত কেইবাখনো বাহন সম্পূৰ্ণৰূপে ধ্বংস হয়। আৰক্ষীয়ে ইতিমধ্যে দাম্পাৰখনৰ চালকজনক গ্ৰেপ্তাৰ কৰিছে আৰু দুৰ্ঘটনাৰ সময়ত চালকজন সুৰামত্ত অৱস্থাত থকা বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে আৰু আহত লোকসকলক উপযুক্ত চিকিৎসা সেৱা সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে।

ৰাজ্যখনত শেহতীয়াকৈ বৃদ্ধি পোৱা পথ দুৰ্ঘটনাৰ বিষয়টো পৰ্যালোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া এখন উচ্চস্তৰীয় বৈঠক আহ্বান কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে আহত সকলৰ শীঘ্ৰে আশু আৰোগ্য কামনা কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকট আত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে।

০০০০

জামাইকা, হাইটী আৰু কিউবাত ধ্বংসলীলা চলোৱাৰ পাছত হাৰিকেন মেলিচাৰ ফলত কেৰিবিয়ান দ্বীপত অতি কমেও ৫০ গৰাকী লোকৰ মৃত্যু হৈছে। কৰ্তৃপক্ষসমূহে জানিবলৈ দিয়া অনুসৰি মৃত্যু হোৱা লোকৰ সংখ্যা আৰু বৃদ্ধি হ'ব পাৰে। যোৱা সপ্তাহত অহা হাৰিকেনৰ ফলত জামাইকাত হোৱা ধ্বংসলীলাৰ ফলত দেশখনত প্ৰায় ৬০ শতাংশ বিদ্যুৎ কৰ্তন হৈছিল। জামাইকাত এতিয়ালৈকে ৯০ শতাংশ বাসগৃহৰ চাদ ধ্বংসস্তুপত পৰিণত হৈছে। দেশখনত এতিয়ালৈকে ১৯ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। হাইটিত কমেও ৩১ গৰাকী লোকে প্ৰাণ হেৰুওৱাৰ লগতে ২১ গৰাকী লোক নিৰুদ্দেশ হৈ আছে। কিউবাৰ উত্তৰ-পূৰ প্ৰান্তত ৭ লাখ ৩৫ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ